**অনিল বাপুৰাও কানাসে**

**বনাম**

**কৃষ্ণ সাহাকাৰী সাখাৰ কাৰখানা লিমিটেড আৰু অন্যান্য**

৭ মে', ১৯৯৭

[ন্যায়াধীশ কে. ৰামাস্বামী, ন্যায়াধীশ এচ. সাঘিৰ আহমেদ আৰু ন্যায়াধীশ জি. বি. পাটনায়ক]

*শ্ৰম আইন*

*ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ :*

*ধাৰা ২৫-এফ আৰু ধাৰা ২(অ.অ.)(বি.বি.) – চেনি কাৰখানা – ঋতুভিত্তিক শ্ৰমিক – ঋতু সমাপ্ত হোৱাৰ পাছত বৰ্খাস্ত কৰা – ৰায় দিয়া হ'ল যে ছাঁটাইকৰণ নহয় – কিন্তু পৰিচালকবৰ্গই এনে কৰ্মচাৰীৰ এক পঞ্জী ৰখা উচিত – যেতিয়া পৰৱৰ্তী বৰ্ষত ঋতু আৰম্ভ হয়, তেতিয়া জ্যেষ্ঠতা অনুসৰি শ্ৰমিকসকলক নিযুক্তি দিয়া উচিত, আৰু এনে সকলো শ্ৰমিকৰ নিযুক্তি নোহোৱালৈকে পৰিচালকবৰ্গই নতুন শ্ৰমিকক নিযুক্তি দিয়াটো অনুচিত।*

*মৰিণ্ডা কুপ. চুগাৰ মিলছ্ লিমিটেড বনাম ৰাম কিষণ আৰু অন্যান্য,* **[১৯৯৫] ৫ এচ.চি.চি. ৬৫৩-ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।**

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : ১৯৯৭-ৰ দেৱানী আবেদন সংখ্যা ৩৬৯২।

১৯৯৪-ৰ ডাব্লিউ.পি. সংখ্যা ৪৮৮-ত বম্বে উচ্চ ন্যায়ালয়ৰ ২৮.৩.৯৫ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ নিখিল এম. সাখাৰদাণ্ডে আৰু নন্দিনী গৰে।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল :

অনুমতি প্ৰদান কৰা হ'ল।

আবেদনকাৰী-কৰ্মচাৰীগৰাকী উত্তৰদাতা নং ১-ৰ চেনি কাৰখানাৰ ৰসায়ন শাখাত ঋতুভিত্তিক কামত কৰ্মৰত আছিল। যেতিয়া কাম সমাপ্ত হৈছিল, আবেদনকাৰী আৰু অন্যান্যসকলক সেৱাৰ পৰা বৰ্খাস্ত কৰা হৈছিল। তেওঁ এই যুক্তিৰে ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ [চমুকৈ, 'আইনখন']-ৰ অধীনত পূৰ্বোক্তি বিচাৰিছিল যে চাকৰিৰ পৰা বৰ্খাস্তকৰণ ছাঁটাইকৰণ আছিল, যিয়ে ঔদ্যোগিক বিবাদ আইনৰ ধাৰা ২৫-এফ-ক উলংঘন কৰে। ঔদ্যোগিক ন্যায়াধিকৰণ আৰু উচ্চ ন্যায়ালয়ে এই যুক্তি নাকচ কৰিছিল।

আবেদনকাৰীৰ পক্ষৰ বিজ্ঞ অধিবক্তাই এই যুক্তি আগবঢ়ায় যে ১৯৯৪ চনৰ লেখ আবেদন সংখ্যা ৪৮৮-ত ২৮ মাৰ্চৰ, ১৯৯৫-ৰ বিতৰ্কিত আদেশৰ ওপৰত নিৰ্ভৰ কৰা বম্বে উচ্চ ন্যায়ালয়ৰ ৰায়দান হয়তো প্ৰযোজ্য নহ'বও পাৰে। যিহেতু আবেদনকাৰী ১৮০ দিনতকৈ বেছি দিন কৰ্মৰত আছিল, গতিকে তেওঁক ছাঁটাই কৰা কৰ্মচাৰী হিচাপে গ্ৰহণ কৰিব লাগে আৰু যদিহে ঔদ্যোগিক বিবাদ আইন, ১৯৪৭-ৰ ধাৰা ২৫-এফ-ত বৰ্ণিত কাৰ্যপ্ৰণালী প্ৰয়োগ কৰা হয়, তেন্তে তেওঁৰ ছাঁটাইকৰণ অবৈধ হয়। আমি ইয়াক সবল যুক্তি হিচাপে গ্ৰহণ কৰিববলৈ অপাৰগ। *মৰিণ্ডা কুপ. চুগাৰ মিলছ্ লিমিটেড বনাম ৰাম কিষণ আৰু অন্যান্য,* [১৯৯৫] ৫ এচ.চি.চি. ৬৫৩-ৰ

দফা ৩-ত এই আদালতে কুঁহিয়াৰ পেৰা কাৰ্যত ঋতুভিত্তিক শ্ৰমিকৰ নিযুক্তিৰ বিষয়ে আলোচনা কৰিছে; দফা ৪-ত উল্লেখ কৰা হৈছে যে এয়া শ্ৰমিকৰ ছাঁটাইকৰণৰ ঘটনা নাছিল, বৰঞ্চ পেৰা কাৰ্যৰ ঋতুৰ সমাপ্তিৰ পাছত কাৰখানা বন্ধ হোৱাৰহে ঘটনা আছিল। সেই অনুসৰি, দফা ৫-ত এই ৰায় দিয়া হৈছিল যে আইনখনৰ ধাৰা ২(অ.অ.)-ৰ অন্তৰ্নিহিত অৰ্থ অনুসৰি এয়া 'ছাঁটাইকৰণ' নহয়। ইয়াৰ ফলশ্ৰুতিত আইনখনৰ ধাৰা ২(অ.অ.)-ৰ অনুচ্ছেদ(বি.বি.) অনুসৰি আবেদনকাৰীক ছাটাই হোৱা কৰ্মী হিচাপে গ্ৰহণ কৰা নহয়। যিহেতু বৰ্তমানৰ কামটো ঋতুভিত্তিক ব্যৱসায়, গতিকে আইনখনৰ নীতিসমূহৰ কোনো প্ৰযোজ্যতা নাই। কিন্তু এই আদালতে উত্তৰদাতা পৰিচালক বৰ্গক এখন পঞ্জী ৰাখিবলৈ আৰু পৰৱৰ্তী বৰ্ষত ঋতু আৰম্ভ হ'লে জ্যেষ্ঠতাৰ ভিত্তিত শ্ৰমিক নিযুক্ত কৰিবলৈ নিৰ্দেশ দিছে। ইতিমধ্যে কৰ্মৰত কৰ্মচাৰীসকলৰ উপৰিও তালিকাত নাম থকা সকলোবোৰ কৰ্মচাৰীৰ নিযুক্তি নোহোৱালৈকে পৰিচালক বৰ্গই নৱনিযুক্তিৰ বাবে আগবঢ়াটো অনুচিত। ওপৰত উল্লেখ কৰা ধৰণে তেনে কাৰ্যপ্ৰণালী গ্ৰহণ কৰাটো উত্তৰদাতা পৰিচালক বৰ্গৰ দায়িত্ব হ'ব।

সেই অনুসৰি এই আবেদন খাৰিজ কৰা হ'ল। ব্যয় অবিহনে।

আবেদন খাৰিজ কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)